

## জীৱন সম্বন্ধীয় লেখা

# ছেমুৱেল বেকেটৰ সাহিত্যৰ বিশৃংখলা

**বেকেটৰ লেখাই পঢ়ুৱৈক জীৱনৰ বিশ্ৰামহীন ধ্বনিৰ মাজলৈ লৈ যায়। য়েটছৰ 'বাইজেণ্টিয়াম'ৰ দৰে তেওঁৰ লেখাই পঢ়ুৱৈক হাই-উৰুমিমুক্ত জগতলৈ নিব নোৱাৰে। অৰ্থাৎ লেখাৰ গাঁথনিগত সাজোন আৰু ভাষাৰ অৰ্থগত দিশে কোনো অৰ্থপূৰ্ণ ইংগিত নিদিয়ে। ইয়াৰ বিপৰীতে হাস্য ৰসাত্মক ৰচনায়ো কিছু অৰ্থ সূচায়।**

**বেকেটে আত্মসচেতনতাৰে তেওঁৰ লেখন শৈলীৰ সৃষ্টি কৰে। কিন্তু বেকেটৰ লেখন শৈলী যুৱ লেখক আৰু মাজে-সময়ে লেখা লেখকসকলে অনুসৰণ কৰাটো বিপজ্জনক। বেকেটৰ সৃষ্টিত শৈশৱৰ কথাও বৰ্ণিত হৈছে। উদাহৰণস্বৰূপে ট'মক ধূলি ধূসৰ বুলি কোৱাৰ সময়তে হাৰ্ডক ছ্যুটকেছ বুলি কোৱা হৈছে। এনে লেখাত হাস্যৰস থাকিলেও সকলোৰে বাবে এনেদৰে লেখাটো সম্ভৱ নহয়। সেয়েহে বেকেটৰ লেখন শৈলীক অনুসৰণ কৰোতে সাৱধানতা অৱলম্বন কৰাটো শ্ৰেয়।**

**আপেক্ষিকভাৱে** হ'লেও অনেকে দুখ-যন্ত্ৰণা ভোগ কৰিবলগীয়া হয়। সাহিত্য অথবা লেখাৰ এটা কাৰণ হ'ল দুখ-যন্ত্ৰণাক শক্তিশালী ৰূপত প্ৰতিফলিত কৰা আৰু এই সম্পৰ্কে সকীয়নি জাৰি কৰা। দুখ-যন্ত্ৰণাৰ কাৰকসমূহৰ বিষয়ে উল্লেখ কৰাটোৱে মানুহক শক্তি যোগায় আৰু ইয়ে পুনৰ নিশ্চয়তা প্ৰদান কৰে। সাহিত্য অথবা লেখাৰ জৰিয়তে এই কামেই কৰা হয়। হান্না আৰেণ্ডতৰ মতে, ঘটনাৱলীৰ ধাৰাক লৈ অসহিষ্ণু ৰূপত বৈ যাবলগীয়াখিনিক লেখাই উন্মোচিত কৰে। জ'ন ডিডিয়নেও একে কথাই কৈছে। ডিডিয়নৰ মতে, মানুহে লিখা আৰু কাহিনী কোৱাৰ উদ্দেশ্য হৈছে জীয়াই থাকিব বিচৰাটো। অৱশ্যে ছেমুৱেল বেকেটৰ সৃষ্টি কৰ্ম এনে দিশৰ পৰা আংশিকভাৱে একক। কাৰণ তেওঁৰ সৃষ্টি কৰ্মই 'হোৱাটো'ক বৰ্ণনাৰ মানসম্পন্ন ৰূপলৈ ৰূপান্তৰিত কৰাত শিকলি লগাবলৈ অস্বীকাৰ কৰিছে। এই 'হোৱাটো'ৰ ধাৰণা বেকেটে নিজেই উত্থাপন কৰিছে। বেকেটে কৈছে, 'আজি যদি কোনো এটা নতুন আৰু শিহৰণ সৃষ্টিকাৰী কোনো ঘটনা ঘটে, সেই ঘটনাক কলাৰ ৰূপ ল'বলৈ দিব লাগে। বিশৃংখল আৰু হুলস্থূলীয়া অৱস্থালৈ এই ঘটনাক অগ্ৰসৰ হ'বলৈ দিব লাগে।' বেকেটৰ স্বল্পখ্যাত সৃষ্টি ১৯৭০ দশকৰ মাজভাগত পৰিত্যক্ত হয়। এইসমূহৰ মাজত মাইকেল ক'ফেই বেকেটৰ বৰ্ণনাবিৰোধী চিন্তাৰ উদ্‌ঘাটন কৰিছে। বেকেটৰ এই স্বল্পখ্যাত ৰচনা হ'ল 'লং অৱজাৰভেচন অৱ দ্যা ৰে'। এই ৰচনাত বেকেটে বস্তুনিষ্ঠ পৰ্যবেক্ষণৰ জটিলতাৰ বিষয়ে ব্যাখ্যা কৰিছে। তেওঁ এটা বন্ধ কিউব বা ঘনৰ মাজেৰে পোহৰৰ এক ৰশ্মি নিক্ষেপৰ দৰে কৰ্ম সম্পাদন কৰিছে। ক'ফেৰ বাবে বেকেটৰ এই কাৰ্যৰ বন্ধ কিউবে মানুহৰ মন অথবা দেহৰ অভ্যন্তৰক সূচাইছে। এই অন্ধকাৰ কক্ষৰ মাজেৰে বাহিৰৰ পৰা পোহৰ আৰু প্ৰতিবিম্ব প্ৰেৰিত হৈছে। এই পোহৰৰ পৰা নিৰ্গত জ্যোতি অস্থিৰ আৰু ইয়াৰ উজ্জ্বলতা দ্ৰুততৰে সলনি হৈ থাকে। বেকেটৰ 'লং অৱজাৰভেচন অৱ দ্যা ৰে'ক এক বৰ্ণনামূলক শ্ৰদ্ধাঞ্জলি জনাই ক'ফেই কৈছে যে এই লেখা অসুবিধাজনক। একাংশ সমালোচকৰ মতে, বেকেটৰ লেখাই পঢ়ুৱৈক জীৱনৰ বিশ্ৰামহীন ধ্বনিৰ মাজলৈ লৈ যায়। য়েটছৰ 'বাইজেণ্টিয়াম'ৰ দৰে তেওঁৰ লেখাই পঢ়ুৱৈক হাই-উৰুমিমুক্ত জগতলৈ নিব নোৱাৰে। অৰ্থাৎ লেখাৰ গাঁথনিগত সাজোন আৰু ভাষাৰ অৰ্থগত দিশে কোনো অৰ্থপূৰ্ণ ইংগিত নিদিয়ে। ইয়াৰ বিপৰীতে হাস্য ৰসাত্মক ৰচনায়ো কিছু অৰ্থ সূচায়।

ক'ফেই 'ছেমুৱেল বেকেট ইজ ক্ল'জড' লিখিছে। গ্ৰন্থখনৰ আৰম্ভণিতে বেকেটৰ এটি উক্তি উল্লেখ কৰিছে। এই উক্তিত বেকেটে কৈছে, 'কিবা এটা ঘটাটো হৈছে বিপদত পেলোৱাৰ এটা ৰূপ।' ইয়াৰ অনুভূতি অসংখ্যবাৰ এক বৰ্ণসংকৰিত কৰ্মত প্ৰতিধ্বনিত হৈছে। ইয়ে সাহিত্য সমালোচনা, ব্যক্তিগত ৰচনা, গদ্য, কবিতা আৰু সংবাদ প্ৰতিবেদন প্ৰস্তুতকো মিহলি কৰিছে। সাহিত্যিক লৈ পৰীক্ষা-নিৰীক্ষা কৰাসকলৰ মাজত ক'ফে অপৰিচিত নহয়। তেওঁ বেকেটৰ নিজা পৰীক্ষা-নিৰীক্ষাৰ সূতাক বিচাৰি লৈছে আৰু ইয়াৰ ঘূৰ্ণন অব্যাহত ৰাখিছে। বৰ্ণনাবিৰোধী লেখাৰ ক্ষেত্ৰত সূতাৰ ব্যঞ্জনাটো সম্ভৱতঃ সৰ্বশ্ৰেষ্ঠ ব্যঞ্জনা নহয়। তাৰ পৰিৱৰ্তে এডাল সূতা এটা ধাৰা, হেলনীয়া কাহিনীৰ শাৰী হ'ব পাৰে। ইয়াৰ উদাহৰণ 'ছেমুৱেল বেকেট ইজ ক্ল'জড'। এই গ্ৰন্থত বহু বিৰোধী কণ্ঠক স্থান দিয়া হৈছে। এই বিৰোধী কণ্ঠসমূহক পৃথক কৰিছে বিষয়বস্তু, লেখাৰ শৈলী আৰু অক্ষৰ বিন্যাসৰ এক বিশেষ নক্সাই। লেখকে ব্যৱহাৰ কৰা ব্যঞ্জনাসমূহে সঠিক ৰূপত গ্ৰন্থখনত ঠাই পাইছে। ক'ফেৰ গ্ৰন্থত কণ্ঠ অথবা চৰিত্ৰসমূহ স্বনিৰ্ভৰশীল। কিন্তু তেওঁলোকে নিজৰ মাজত ভাবৰ আদান-প্ৰদান কৰে। এই ভাবৰ আদান-প্ৰদানে কাহিনীগত আৰু ধ্বনিগত ক্ষেত্ৰৰ সৃষ্টি কৰিছে। এজন পঢ়ুৱৈক হতাশাৰ মাজলৈ ঠেলি দিব পৰাকৈ গ্ৰন্থখন আত্মপ্ৰশংসাত ৰত হৈছে। অৱশ্যে এই আত্মপ্ৰশংসাক কল্পনাৰ সাগৰত ডুবি থকা তুলনাৰূপেও উল্লেখ কৰিব পাৰি। কিন্তু ক'ফেই পঢ়ুৱৈক এনে ৰূপৰ লেখাৰ বিষয়ে শিক্ষাদান কৰিবলৈ আগ্ৰহ প্ৰকাশ কৰিছে। তেওঁ ইয়াক গুৰুত্ব আৰোপ কৰাটোও প্ৰতিফলিত হৈছে। এটা আৰম্ভণি টোকাৰ জৰিয়তে গ্ৰন্থখন কাহিনী আৰম্ভ হৈছে। প্ৰথমটো খণ্ডত চাৰিটা চৰিত্ৰ অথবা কণ্ঠ আছে। এই খণ্ডত চাৰিটা দৃশ্য আছে। প্ৰথমটো দৃশ্যত ছেমুৱেল বেকেটে নিউয়ৰ্ক চিটীত এখন বেছবল খেলত থকা দেখা গৈছে। খেলখনৰ সময় ১৯৬৪। দ্বিতীয়টো দৃশ্যত ক'ফেৰ দৰে এজন লেখকে বেকেটৰ সাহিত্য পঢ়ি তিনি বছৰ পাৰ কৰাৰ দৃশ্য বৰ্ণনা কৰা হৈছে। তৃতীয়টো দৃশ্যত এজন অনামী ব্যাখ্যাকাৰকক তেওঁৰ প্ৰেমিকাৰ চকুলৈ টোপনি নামিব পৰা কাহিনী ক'বলৈ কোৱা হৈছে। চতুৰ্থটো দৃশ্যত গুৱাণ্টানামো বে'ত এক জেৰাৰ দৰে দৃশ্যৰ বৰ্ণনা হৈছে। এই জেৰাত সাক্ষাৎকাৰ গ্ৰহণৰ কৌশল মুকলি কৰা হৈছে। এই চাৰিটা খণ্ডত বেকেটৰ কথা স্পষ্ট ৰূপত বৰ্ণনা হৈছে। গ্ৰন্থখনৰ আৰম্ভণিৰ লগে লগে এজন পঢ়ুৱৈয়ে খণ্ডসমূহৰ মাজৰ সংযোগ ধূৰ্তালিৰে কৰ্তন কৰাটো অনুধাৱন কৰিব পাৰে। ইয়ে পঢ়ুৱৈজনক আনন্দিত কৰে। কেৱল খণ্ডসমূহৰ মাজতে নহয়, হাস্যৰসৰ অস্থিৰতা আৰু প্ৰিয় দৃশ্যলৈ প্ৰত্যাৱৰ্তন আদিৰ মাজৰ সংযোগো কৰ্তন কৰা হৈছে। ইয়ে একপ্ৰকাৰৰ বিশৃংখল ৰূপ ধাৰণ কৰিছে।

আত্মজীৱনীমূলক ব্যাখ্যাকাৰকে ছাঁঘন কণ্ঠৰ ৰূপ লয়। এই ব্যাখ্যাকাৰকৰ স'তে শ্বেক্সপীয়েৰৰ নাটকৰ মূৰ্খ (ফুল)ৰ সাদৃশ্য আছে। এক নিৰ্দিষ্ট বিৰতিৰ মূৰে মূৰে শ্বেক্সপীয়েৰ নাটকৰ এনে চৰিত্ৰই ভুমুকি মাৰে। গতিকে এনে চৰিত্ৰক লৈ দৰ্শকে সন্দেহেৰে উত্থাপন কৰিব পৰা প্ৰশ্নৰ প্ৰয়োজনীয়তা দূৰ হয়। অধিকাংশ পঢ়ুৱৈ স্বৰ্গতোক্তি অথবা চৰিত্ৰই নিজকে কৈ থকা দৃশ্যৰ স'তে পৰিচিত। এজন কাহিনী ব্যাখ্যাকাৰকে নিজৰ প্ৰেমিকাৰ দুচকুলৈ টোপনি আনিব পৰা কাহিনীৰ আৱিষ্কাৰ কৰে। বেকেটে আত্মসচেতনতাৰে তেওঁৰ লেখন শৈলীৰ সৃষ্টি কৰে। কিন্তু বেকেটৰ লেখন শৈলী যুৱ লেখক আৰু মাজে-সময়ে লেখা লেখকসকলে অনুসৰণ কৰাটো বিপজ্জনক। বেকেটৰ সৃষ্টিত শৈশৱৰ কথাও বৰ্ণিত হৈছে। উদাহৰণস্বৰূপে ট'মক ধূলি ধূসৰ বুলি কোৱাৰ সময়তে হাৰ্ডক ছ্যুটকেছ বুলি কোৱা হৈছে। এনে লেখাত হাস্যৰস থাকিলেও সকলোৰে বাবে এনেদৰে লেখাটো সম্ভৱ নহয়। সেয়েহে বেকেটৰ লেখন শৈলীক অনুসৰণ কৰোতে সাৱধানতা অৱলম্বন কৰাটো শ্ৰেয়।




ক'ফেৰ 'দ্যা চিটী অৱ ব্ৰাৰ্ছ'ত খলিফাই মৰুভূমিৰ আভ্যন্তৰত এখন বিশাল মহানগৰ উদ্ধাৰ কৰিছে। মহানগৰখন চহকী লোকেৰে ভৰি আছে। কিন্তু ইয়াৰ বাসিন্দাসকলৰ স্থান শ্মশানতহে। ইয়াৰ দ্বাৰা মহানগৰখন ধ্বংসপ্ৰাপ্ত হোৱাৰ ইংগিত ফুটি উঠিছে। গ্ৰন্থখনৰ ব্যাখ্যাকাৰকে সুধিছে কাহিনীয়ে সত্য ধৰি ৰাখিব নে, তাতকৈ আগুৱাই যাব। সত্যই কাহিনী আগবঢ়াই নিয়ে নে, এটা স্থানত ধৰি ৰাখে তেনে প্ৰশ্নও ব্যাখ্যাকাৰকে কৰিছে। বিশ্ৰাম আৰু হাস্যৰসৰ দৃশ্যসমূহৰ মাজত ক'ফেই এক ভাৰসাম্য বৰ্তাই ৰাখিবলৈ সক্ষম হৈছে। এই সকলো দৃশ্যতে সংস্কৃতি আৰু সভ্যতাৰ প্ৰতি ভাবুকিৰ বিষয়ে বৰ্ণিত হৈছে। এই ভাবুকি সামৰিক বাহিনী আৰু সন্ত্ৰাসবাদীসকলে সৃষ্টি কৰিছে। বেকেটক লৈ ক'ফেই ৰচনা কৰা এখন গ্ৰন্থত ৰাজনৈতিক হিংসাৰ বিৱৰণ দাঙি ধৰা হৈছে। সাম্প্ৰতিক সময়ৰ ৰাজনৈতিক বাস্তৱতা সম্পৰ্কে সকলোকে সজাগ কৰি তোলাৰ দায়িত্বও ক'ফেই পালন কৰিছে। বেকেটৰ ৰাজনৈতিক বিচাৰ-বিবেচনাতো এনে দিশে ঠাই পাইছে। ৱাকলভ হাভেললৈ সমৰ্থন প্ৰদৰ্শন কৰিবলৈ বেকেটে 'কেটাষ্ট্ৰ'ফী' গ্ৰন্থখন ৰচনা কৰে। এই গ্ৰন্থ ৰচনাৰ পাছত বেকেটক কাৰাগাৰলৈ নিক্ষেপ কৰা হয়। ইয়াৰ কাৰণ আছিল তেওঁৰ ৰাজনৈতিক কাম-কাজ।

বেকেটক বাদ দিওঁ ক'ফেৰ আন এজন গুৰুত্বপূৰ্ণ মধ্যস্থতাকাৰী হৈছে প্ৰ'ষ্ট। 'ছেমুৱেল বেকেট ইজ ক্ল'জড'ৰ দ্বিতীয় খণ্ডত পীটাৰ স্থান নামৰ এজন শিল্পীৰ বিষয়ে উল্লেখ আছে। এটা ড্ৰয়িংৰূমত শিল্পীজনক দেখা গৈছে। ক'ফেই ধেমেলীয়া আচৰণেৰে বহু চৰিত্ৰ সৃষ্টি কৰিছে আৰু সময়ত এইসমূহক ছেদেলি-ভেদেলি কৰি পেলাইছে। ইয়াৰ দ্বাৰা তেওঁ বেকেটৰ 'মেল'ন' (মেল'ন ডাইজ)ক অনুসৰণ কৰা যেন অনুভৱ হয়। কাৰণ মেল'নে কৈছে তেওঁ মৃত্যুৰ বাবে অপেক্ষা কৰি থকাৰ কথা।

কিন্তু প্ৰশ্ন হয় যে ক'ফেই বেকেটক কিয় বাছি ল'লে? ক'ফেই বেকেটৰ লেখন শৈলীৰ দৰে লিখিব বিচাৰে নেকি? এনে প্ৰশ্নৰ স্পষ্ট উত্তৰ দিয়াৰ পৰা ক'ফে বিৰত আছে।

## সাহিত্যৰ মজিয়াত বৰ্ণ বৈষম্যৰ চৰ্চা আৰু ফ্ৰান্স

# লুই-ফাৰ্ডিনাণ্ডৰ ইহুদীবিৰোধী পুস্তিকা আৰু ফৰাচী ইহুদী সমাজ

**পেৰিছৰ** বাণিজ্যিক হৃদপিণ্ডস্বৰূপ পাছেজ ডি চইজল ফ্ৰান্সৰ সাহিত্যিক ইতিহাসৰ অন্যতম গুৰুত্বপূৰ্ণ আৰু পৃষ্ঠপটৰূপে পৰিগণিত হৈ আহিছে। উনবিংশ শতিকাৰ আৰম্ভণিতে পাছেজ ডি চইজলৰ নিৰ্মাণ সম্পূৰ্ণ হয়। ইয়াতে আছে বিশ্বৰ প্ৰথমটো শ্বপিং মল। এই স্থান হৈছে ঔপন্যাসিক লুই-ফাৰ্ডিনাণ্ড চেলিনৰ শিশুকালৰ বাসস্থলী। লুই-ফাৰ্ডিনাণ্ডক বিংশ শতিকাৰ সৰ্বশ্ৰেষ্ঠ ফৰাচী সাহিত্যিক আখ্যা দিয়া হয়। তেওঁৰ গ্ৰন্থ বিক্ৰীৰ ফালৰ পৰা আৰু পঢ়ুৱৈৰ মাজত চলোৱা সমীক্ষাৰ দ্বাৰা লুই-ফাৰ্ডিনাণ্ডে মাৰ্চেল প্ৰ্ষ্টক অতিক্ৰম কৰিছে। ইয়াৰ দ্বাৰা তেওঁ জনপ্ৰিয়তা প্ৰতিফলিত হৈছে। চেলিনেই পাছেজ ডি চইজলক অমৰত্ব প্ৰদান কৰিছে। এই স্থানক লৈয়ে তেওঁ দুখন গুৰুত্বপূৰ্ণ আৰু জনপ্ৰিয় উপন্যাস ৰচনা কৰে। লুই-ফাৰ্ডিনাণ্ডৰ শিশুকালত এই স্থান দৰিদ্ৰ লোকৰ বসতিস্থল আছিল। বৰ্তমানে এই স্থান ব্যয়বহুল আৰু নগৰীয়া লোকৰ বসতিস্থলত পৰিণত হৈছে। এদিন যে এই স্থানতে লুই-ফাৰ্ডিনাণ্ডৰ দৰে কৃতবিদ্য সাহিত্যকে বাস কৰিছিল তাৰ কোনো চিন-মোকাম এতিয়া পাবলৈ নাই। ফ্ৰান্সৰ বাবে এই কথা পৰিহাসত পৰিণত হৈছে। কাৰণ ফৰাচীসকলে নিজৰ সাহিত্যক লৈ গৌৰৱবোধ কৰে। দেশখনৰ প্ৰতিটো অঞ্চলতে ভিক্ট'ৰ হুগো অথবা লীচ বডলেয়াৰৰ দৰে সাহিত্যিকৰ নামত পথ আছে। পাছেজ ডি চইজলৰ ৬৭ নম্বৰ প্ৰৱেশ পথৰ ওচৰত লুই-ফাৰ্ডিনাণ্ডে ল'ৰালি কাল পাৰ কৰিছিল। কিন্তু আজি সেই স্থানত তেওঁৰ কিয় স্মৃতিচিহ্ন অথবা তেওঁৰ কোনো চিন-মোকাম কিয় নাই সেই কথা অধিকাংশ ফৰাচী লোকেই নাজানে। লুই-ফাৰ্ডিনাণ্ডৰ বিশ্বজুৰি থকা অনেক অনুগামীয়ে এই স্থানত পদাৰ্পণ কৰিছে। তেওঁলোকৰ গৰিষ্ঠসংখ্যকেই এনে প্ৰশ্ন কৰে। কৃতবিদ্য সাহিত্যিকজনে শৈশৱৰ মধুৰ সময়ছোৱা কটোৱা এই স্থানত তেওঁৰ কোনো স্মৃতিচিহ্ন নথকাৰ কাৰণ একাংশ ফৰাচী লোকে ব্যাখ্যা কৰিলে বহুতৰে মনত কৌতূহল জাগ্ৰত হ'ব। এইসকল ফৰাচী লোকৰ মতে, লুই-ফাৰ্ডিনাণ্ডে ল'ৰালি কাল কটোৱা স্থানৰ ব্যৱসায়-বাণিজ্য সম্প্ৰতি ইহুদী লোকে নিয়ন্ত্ৰণ কৰে। তেওঁলোকে সাহিত্যিকজনৰ চিন-মোকাম ৰখাটো পচন্দ নকৰাৰ বাবে এনে ব্যৱস্থা কৰা হৈছে। কোনোৱেই লুই-ফাৰ্ডিনাণ্ডক মনত ৰখাটো এই ইহুদী ব্যৱসায়ীসকলে নিবিচাৰে।

ফ্ৰান্সত বসবাস কৰা ইহুদীসকলে লুই-ফাৰ্ডিনাণ্ডক বৰ্তমানেও ঘিন কৰাৰ বহু কাৰণ আছে। এনে এটা কাৰণ হ'ল ১৯৩৭ৰ পৰা ১৯৪১ লৈ লুই-ফাৰ্ডিনাণ্ডে ইহুদীবিৰোধী কেতবোৰ পুস্তিকা প্ৰকাশ কৰাটো। এই পুস্তিকাসমূহে জনপ্ৰিয়তা অৰ্জন কৰিছিল। ফলস্বৰূপে সেই সময়ছোৱাত ফ্ৰান্সত এক ইহুদীবিৰোধী আন্দোলন গঢ় লৈ উঠিছিল। তেওঁ ইহুদী আৰু ৰাছিয়াৰ ব'লছেভিকসকলৰ বুজাবুজিৰ বিৰোধিতা কৰিছিল। তেওঁ অনুভৱ কৰিছিল যে ইহুদীসকলে সকলোতে ষড়যন্ত্ৰ ৰচনা কৰিছিল। ইহুদীসকলক এনেদৰে ঘিন কৰাৰ বিপৰীতে লুই-ফাৰ্ডিনাণ্ডে হিটলাৰক প্ৰশংসা কৰিছিল। ১৯৩৭ত তেওঁ লিখিছিল, 'এক নিযুত জাৰ্মান ইহুদীৰ মৃতদেহৰ পৰা নিৰ্গত দুৰ্গন্ধ এজন আৰ্য্য লোকৰ আঙুলিৰ এটা নখৰ সমানো নহয়।' তেওঁ ফ্ৰান্সলৈ জাৰ্মানসকলৰ আগমনক অভিবাদ জনাইছিল। ১৯৪০ত তেওঁ লিখিছিল যে জাৰ্মানসকলৰ ফ্ৰান্স আগমন এক প্ৰয়োজনীয় টনিক। তাৰ পাছতো যুদ্ধৰ ধ্বংসলীলা যথেষ্ট হোৱা নাছিল বুলি তেওঁ খেদ প্ৰকাশ কৰিছিল। এই খেদেই তেওঁৰ একমাত্ৰ খেদ আছিল। কুখ্যাত নাজীবাহিনীয়ে 'চূড়ান্ত সমাধান সূত্ৰ' (ফাইনেল ৰিজল্যুচন) গ্ৰহণৰ বহু পূৰ্বে তেওঁ ইহুদী জাতিক নিঃশেষৰ পোষকতা কৰিছিল। তেওঁ লিখিছিল আপোনালোকে সঁচাকৈয়ে ইহুদীৰ কবলৰ পৰা মুক্তি বিচাৰে নে? যদি বিচাৰে তেন্তে কেৱল ৩৪ হেজাৰ প্ৰতিষেধকেই নাই, আছে বৰ্ণ বৈষম্য! কেৱল ইয়াকে ইহুদীসকলে ভয় কৰে।'



এজন গৱেষকে মানচেষ্টাৰ বিশ্ববিদ্যালয়ত এম ফিলৰ গৱেষণা লুই-ফাৰ্ডিনাণ্ডৰ সাহিত্যক লৈ কৰিছিল। তেতিয়া তেওঁৰ গা জিকাৰ খাই উঠিছিল। লুই-ফাৰ্ডিনাণ্ডৰ সাহিত্যসমূহ অধ্যয়নৰ পাছত তেওঁ পুনৰ অধ্যয়ন কৰিছিল। তেওঁৰ গৱেষণাৰ তত্ত্বাৱধায়কজন আছিল এজন ইহুদী লোক। তত্ত্বাৱধায়কজনে তেওঁক কৈছিল যে লুই-ফাৰ্ডিনাণ্ডৰ সাহিত্য পঢ়ি অসুস্থ নোহোৱাকৈ কোনো লোক নাথাকে। তৎসত্ত্বেও তেওঁ লুই-ফাৰ্ডিনাণ্ডৰ অনুগামী আছিল। তেওঁ কৈছিল সাহিত্যিকজনৰ সৃষ্টিসমূহ বিশুদ্ধ ৰূপৰ ব্যাধিৰে ভৰি আছে। ১৯৬১ত লুই-ফাৰ্ডিনাণ্ডৰ মৃত্যু হয়। তেতিয়া তেওঁৰ সৃষ্টিসমূহ অৰ্ধ-আইনী জঞ্জালত সাঙোৰ খাই আছিল। এইসমূহ কেতিয়াও নিষিদ্ধ নকৰিলেও পুনৰ মুদ্ৰণ হোৱা নাছিল। ফলস্বৰূপে দীঘলীয়া সময়ৰ বাবে এইসমূহ বিচাৰি উলিওৱাটো কঠিন আছিল। বিচাৰি পালেও অতিমাত্ৰা দামত ক্ৰয় কৰিবলগীয়া হৈছিল। এই গৱেষকজনে লেটিন কোৱাৰ্টাৰৰ এখন দোকানৰ পৰা লুই-ফাৰ্ডিনাণ্ডৰ সাহিত্যসমূহ সংগ্ৰহ কৰিছিল। অৱশ্যে ইণ্টাৰনেটৰ প্ৰসাৰে এনে অসুবিধা মূৰকত দূৰ কৰিছে। ইচ্ছা কৰিলেই এজন ব্যক্তিয়ে লুই-ফাৰ্ডিনাণ্ডৰ সৃষ্টি কৰ্মৰ সোৱাদ ল'ব পাৰে। ইয়াৰ আগলৈকে একেবাৰে সোঁপন্থী চিন্তাধাৰাৰে পৰিচালিত গ্ৰন্থ বিক্ৰেতাসকলেহে লুই-ফাৰ্ডিনাণ্ডৰ গ্ৰন্থ অথবা পুস্তিকাসমূহ ৰাখিছিল।

'এল-ইনকাৰেক্ট' নামৰ এখন সোঁপন্থী আলোচনীয়ে লুই-ফাৰ্ডিনাণ্ডৰ সাহিত্য জগতত প্ৰৱেশৰ প্ৰথমে এখন খিৰিকী খোলে। আলোচনীখনে লুই-ফাৰ্ডিনাণ্ডৰ ইহুদীবিৰোধী লেখাসমূহ পুনৰ প্ৰকাশৰ অনুমতি বিচাৰি যুক্তি আৰু বিশ্লেষণ আগবঢ়ায়। কিন্তু আলোচনীখনৰ এনে যুক্তিক আওকাণ কৰা হয়। ফ্ৰান্সৰ মূল সুঁতিৰ সংবাদপত্ৰসমূহৰ জৰিয়তে ঘোষিত হয় যে লুই-ফাৰ্ডিনাণ্ডৰ এইসমূহ লেখা গলিমাৰ্ড প্ৰকাশন গোষ্ঠীক প্ৰদান কৰা হ'ব। গলিমাৰ্ড হৈছে দেশখনৰ সবাতোকৈ গুৰুত্বপূৰ্ণ আৰু বিখ্যাত প্ৰকাশন গোষ্ঠী। এই ঘোষণা অনুসৰি প্ৰকাশন গোষ্ঠীটোৱে লুই-ফাৰ্ডিনাণ্ডৰ সবাতোকৈ ইহুদীবিৰোধী লেখাসমূহ পুনৰ প্ৰকাশ কৰে। এইসমূহে ফৰাচী সাহিত্যৰ স্মৰণযোগ্য সৃষ্টিৰ আখ্যা লাভ কৰে। স্বাভাৱিকতে এই কাৰ্যই ফ্ৰান্সত বসবাস কৰি থকা ইহুদী সম্প্ৰদায়ৰ লোকসকলৰ ক্ষোভত জ্বলাই তোলে। এইসকলৰ দুটা আগশাৰীৰ সংস্থাই গলিমাৰ্ডক লুই-ফাৰ্ডিনাণ্ডৰ লেখা প্ৰকাশ ত্যাগ কৰিবলৈ আহ্বান জনায়। এই ইহুদী সংস্থা দুটালৈ সমৰ্থন আগবঢ়ায় ছাৰ্গে ক্লাৰ্ছফেল্ডৰ দৰে সন্মানীয় ব্যক্তিয়ে। তেৱেঁই নাজী অপৰাধীসকলক বিচাৰৰ কাঠগড়াত তুলিছিল। ইয়াৰ দ্বাৰা তেওঁ বিশ্বজুৰি খ্যাতি লাভ কৰে। তেওঁ নিজেও হ'ল'কাষ্টৰ শাস্তিৰ সন্মুখীন হৈছিল। সৌভাগ্যবশতহে তেওঁৰ প্ৰাণৰক্ষা পৰিছিল। বিভিন্ন লেখাত ক্লাৰ্ছফেল্ডে নাজীসকল বিপজ্জনক আৰু তেওঁলোকে হত্যা কাৰীৰ মানসিকতা ত্যাগ কৰিব পৰা নাই। ক্লাৰ্ছফেল্ডৰ এই স্থিতিয়ে ফৰাচী চৰকাৰত জোকাৰণি তোলে। অৱশেষত গলিমাৰ্ডৰ অধ্যক্ষ এণ্টনিঅ' গলিমাৰ্ড আৰু তেওঁৰ সম্পাদকসকলৰ লগতে লেখক পিয়েৰ এছ'লিনে লুই-ফাৰ্ডিনাণ্ডৰ সৃষ্টিক লৈ কৰা কাম-কাজ সম্পৰ্কে এখন চৰকাৰী কমিটীক বিৱৰণ দিবলগীয়া হয়। ইয়াৰ পাছতে লুই-ফাৰ্ডিনাণ্ডৰ তীব্ৰ ইহুদীবিৰোধী লেখাসমূহ পুনৰ প্ৰকাশত অচলাৱস্থাৰ সৃষ্টি হয়। চৰকাৰ আৰু প্ৰকাশন গোষ্ঠীটোৱে নিজ নিজ স্থিতিত অটল থাকি এক প্ৰকাৰ সমুখ সমৰত অৱস্থান কৰাৰ দৰে আচৰণ কৰে। প্ৰকাশন গোষ্ঠীটোৱে মানি ল'বলৈ টান পায় যে তেওঁলোকে লুই-ফাৰ্ডিনাণ্ডৰ এই ঘৃনাভৰা সৃষ্টিসমূহ কেৱল বুৰঞ্জীৰ পাদটীকা অথবা যাদুঘৰত সংৰক্ষণৰ বাবে পুনৰ প্ৰকাশ কৰিবলৈ লৈছে। চৰকাৰে ইয়াকে কৰাটো বিচৰাত দুয়োপক্ষই সন্মুখ সমৰলৈ আগবাঢ়ি আহি চকুত চকু থৈ অৱস্থান কৰাৰ দৰে আচৰণ কৰে। চৰকাৰে প্ৰকাশন গোষ্ঠীটোৰ পৰা নিশ্চয়তা বিচাৰিছিল যে লুই-ফাৰ্ডিনাণ্ডৰ ইহুদীবিৰোধী এই লেখাসমূহত এটি আৰম্ভণি টোকা লিখিব লাগিব। এই টোকাৰ দ্বাৰা পঢ়ুৱৈসকলক সোঁৱৰাই দিব লাগিব যে ইহুদীবিৰোধী ঘটনাসমূহ অতীতত ঘটিছিল। ইয়াৰ স'তে বৰ্তমানৰ কোনো সম্পৰ্ক নাই। ইয়াৰ বিপৰীতে প্ৰকাশন গোষ্ঠীটোৱে লুই-ফাৰ্ডিনাণ্ডৰ এনে বৰ্ণ বৈষম্যক প্ৰৱল কৰি তুলিব পৰা লেখাসমূহত কলাত্মক মূল্য আছে বুলি প্ৰকাশন গোষ্ঠীটোৱে দাবী কৰিছিল। গতিকে প্ৰকাশন গোষ্ঠীটোৱে এইসমূহ পুনৰ প্ৰকাশৰ পূৰ্বে চেন্সৰৰ বিৰোধিতা কৰে। কিন্তু প্ৰকাশন গোষ্ঠীটোৰ এনে যুক্তি গ্ৰহণ নকৰিলে চৰকাৰে। চৰকাৰে ভয় খাইছিল যে লুই-ফাৰ্ডিনাণ্ডৰ এই লেখাসমূহে পুনৰ দেশখনত ইহুদীবিৰোধী ঢৌ মুছলমানসকলৰ মাজত প্ৰৱল কৰি তুলিব। কাৰণ ইতিমধ্যে কমেডী অভিনেতা ডাইডুন আৰু লেখক এলেইন ছ'ৰালে ইহুদীবিৰোধী স্থিতি গ্ৰহণ কৰে। ইহুদীবিৰোধী ঢৌ গঢ়ি তোলাসকলৰ মাজত ডাইডুন আৰু ছ'ৰালে বিখ্যাত ব্যক্তি। দুয়োৱে এই স্থিতি অটুট ৰাখিছে। শেহতীয়াভাৱে তেওঁলোকে হ'ল'কাষ্টবিৰোধী আইনক প্ৰত্যাহ্বান জনায়। এই আইনৰ বিৰুদ্ধে তেওঁলোকে মুকলিকৈ মাত মাতিছে। ইয়াক লৈ চৰকাৰ বিমোৰত পৰিছে। যোৱা সাত জানুৱাৰীত প্ৰধানমন্ত্ৰী এডৱাৰ্ড ফিলিপে গলিমাৰ্ড প্ৰকাশন গোষ্ঠীলৈ সমৰ্থন আগবঢ়োৱাৰ কথা ঘোষণা কৰে। তৎসত্ত্বেও তেওঁ কয় যে লুই-ফাৰ্ডিনাণ্ডক ঘিন কৰাৰ বহু উৎকৃষ্ট কাৰণ আছে। কিন্তু প্ৰধানমন্ত্ৰীয়ে এই কথাও স্বীকাৰ কৰে যে ফৰাচী সাহিত্যত লুই-ফাৰ্ডিনাণ্ডৰ স্থান তেতিয়াও অস্বীকাৰ কৰিব নোৱাৰি। স্বাভাৱিকতে প্ৰধানমন্ত্ৰীৰ এই ঘোষণাক এণ্টনিঅ' গলিমাৰ্ডে আদৰণি জনাইছে। গলিমাৰ্ডে কৈছে যে চেন্সৰৰ ব্যৱস্থা হৈছে বিভিন্ন আদৰ্শক বাধা জন্মোৱাৰ এনে এক ব্যৱস্থা যিয়ে অসুস্থ কৌতূহলৰ সৃষ্টি কৰে।

আশ্চৰ্যজনক যে ইয়াৰ কিছুদিন পাছতে অৰ্থাৎ যোৱা ১১ জানুৱাৰীত গলিমাৰ্ডে ঘোষণা কৰে যে তেওঁলোকে লুই-ফাৰ্ডিনাণ্ডৰ পুস্তিকাসমূহ প্ৰকাশৰ প্ৰকল্প স্থগিত কৰিছে। ইয়াৰ কাৰণ তেওঁলোকে প্ৰথম অৱস্থাত ব্যাখ্যা কৰা নাছিল, কিন্তু শেহতীয়াভাৱে প্ৰকাশন গোষ্ঠীটোৱে কৈছে যে কেতবোৰ পদ্ধতিগত চৰ্তত আৰু স্মৃতিৰ প্ৰশ্নৰ বাবে তেওঁলোকে লুই-ফাৰ্ডিনাণ্ডৰ পুস্তিকাসমূহ প্ৰকাশ কৰিবলৈ সক্ষম হোৱা নাই। এই বিষয়ে ইতিমধ্যে প্ৰকাশন গোষ্ঠীটোৱে চৰকাৰক অৱগত কৰিছে।

আকস্মিকভাৱে জনপ্ৰিয়তা অৰ্জন কৰা লুই-ফাৰ্ডিনাণ্ডৰ প্ৰথমখন উপন্যাস হৈছে 'জাৰ্ণি টু দ্যা এণ্ড অৱ ডি নাইট।' ১৯৩২ত উপন্যাসখন প্ৰকাশ পায়। প্ৰকাশৰ কিছুদিন পাছতে উপন্যাসখন বেষ্ট ছেলাৰত পৰিণত হয়।

# প্ৰতিনিধিত্বক গুৰুত্ব আৰু আফ্ৰিকান-আমেৰিকান সাহিত্য

**ক'লা** ইতিহাসৰ মাহ (ব্লেক হিষ্ট্ৰী মান্থ) আফ্ৰিকান-আমেৰিকান সাহিত্যৰ এক ধাৰা। এইবাৰো অহা ১৯ ফেব্ৰুৱাৰীৰ পৰা এই ক'লা ইতিহাসৰ মাহ উদ্‌যাপনৰ প্ৰস্তুতি চলিছে। ইয়াৰ কাৰ্যসূচীৰ অংশৰূপে আফ্ৰিকান-আমেৰিকান সাহিত্যৰ গুৰুত্বপূৰ্ণ লেখকসকলক সম্প্ৰদায়টোৰ সন্মুখত পুনৰ চিনাকি কৰি দিয়া হ'ব। 'ব্লেক কালচাৰেল প্ৰ'গ্ৰামিং কমিটী' শীৰ্ষক অনুষ্ঠানে ইয়াৰ আয়োজন কৰিছে। প্ৰথম দিনা সন্ধিয়া সাত বজাৰ পৰা ৮-৩০ বজালৈ প্ৰথমলানি বক্তৃতা অনুষ্ঠান চলিব। এই অনুষ্ঠানত হাৰ্ভাৰ্ড বিশ্ববিদ্যালয়ৰ লেখক, শিক্ষক আৰু গৱেষক ক্লিণ্ট স্মিথে অংশ ল'ব। মূলসুঁতিৰ সাহিত্যই যিসকল লেখক-সাহিত্যিক তুলি ধৰা নাই, সেইসকলৰ বিষয়ে সাধাৰণ লোকক অৱগত কৰাটোও এই অনুষ্ঠানৰ অন্যতম মূল লক্ষ্য। বিচিত্ৰ পৃষ্ঠভূমিৰ লেখকসকল আৰু তেওঁলোকৰ সৃষ্টি সম্পৰ্কে সঠিক জ্ঞান আহৰণৰ সুবিধা কৰি দিয়াৰ উদ্দেশ্যেও হৈছে অনুষ্ঠানটিৰ অন্যতম লক্ষ্য। আয়োজক কমিটীৰ উপাধ্যক্ষা টেভিনা মেল'নৰ মতে, বৰ্ণবৈষম্যক কেন্দ্ৰ কৰি সৃষ্ট উত্তেজনাই আমেৰিকাক আৱৰি ধৰিছে। এনে পৰিস্থিতিত বিচিত্ৰ পটভূমিৰ পৰা অহা আৰু ইতিবাচক কণ্ঠৰ অধিকাৰীসকলক চিন্তা আৰু ভাব প্ৰকাশৰ এক মঞ্চ প্ৰদানৰ উদ্দেশ্যে অনুষ্ঠানটিৰ আয়োজন কৰা হৈছে বুলি উপাধ্যক্ষাগৰাকীয়ে মন্তব্য কৰিছে। ইয়াৰ দ্বাৰা একতা গঢ়াৰ লক্ষ্য লোৱা হৈছে।




'ব্লেক হিষ্ট্ৰী মান্থ'ৰ কাৰ্যসূচীত অংশ ল'বলগীয়া অক্সফ'ৰ্ডৰ লেখক-গৱেষক তথা শিক্ষক স্মিথে নেছনেল ছায়েন্স ফেডাৰেচনৰ গ্ৰেজুৱেট ৰিচাৰ্ছ ফেল'শ্বিপ লাভ কৰিছে। তেওঁৰ গৱেষণাই গণ আবিৰ্ভাৱ, বিভিন্ন গোষ্ঠীৰ সমাজ তত্ত্ব, বৰ্ণবৈষম্যবাদ আৰু আমেৰিকাৰ অসমতাৰ বুৰঞ্জীক সামৰি লৈছে। স্মিথে কবিৰূপেও সুখ্যাতি অৰ্জন কৰিছে। তেওঁৰ 'কাউণ্টিং ডেছকেণ্ট' হৈছে প্ৰথমখন পূৰ্ণদৈৰ্ঘ্যৰ কবিতা সংকলন। এই কবিতা সংকলনৰ জৰিয়তে তেওঁ আমেৰিকান লাইব্ৰেৰী এছ'চিয়েচনৰ ২০১৭ৰ সাহিত্য বঁটা লাভ কৰে। তেওঁৰ এই কবিতা সংকলনক আমেৰিকান লাইব্ৰেৰী এছ'চিয়েচনে কৃষ্ণাংগ কবিসকলে প্ৰকাশ কৰা কবিতা সংকলনসমূহৰ মাজত সৰ্বশ্ৰেষ্ঠ আখ্যা দি এই বঁটাৰে সন্মানিত কৰে।

হাৰ্ভাৰ্ড বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ ডীনৰ কাৰ্যালয়ে ১৯৭৯ত ব্লেক কালচাৰেল প্ৰ'গ্ৰামিং কমিটি গঠন কৰে। আফ্ৰিকান-আমেৰিকানসকলৰ কৃতিত্ব সম্পৰ্কে ৰাজহুৱা সজাগতা সৃষ্টিৰ উদ্দেশ্যে এই সংস্থা গঠন কৰা হয়। সংস্থাটোৰ আন এক উদ্দেশ্য হৈছে আফ্ৰিকান-আমেৰিকানসকলক ঐক্যবদ্ধ কৰা। অহা ১৯ ফেব্ৰুৱাৰীৰ পৰা আৰম্ভ হ'বলগীয়া 'ব্লেক হিষ্ট্ৰী মান্থ'ৰ বিভিন্ন অনুষ্ঠানত বহু বিখ্যাত সাহিত্যিকে অংশ ল'ব। ইয়াৰ দ্বাৰা বিচিত্ৰ পটভূমিৰ সাহিত্যিকক অনুষ্ঠানটিত অংশ ল'বলৈ উৎসাহিত কৰিব বিচৰা হৈছে। তেওঁলোকৰ প্ৰতিনিধিত্ব কামনা কৰিছে আয়োজকে। আয়োজকে আশা কৰিছে যে কায়িক আৰু সন্মুখত প্ৰতিনিধিত্ব কৰাৰ সুযোগ প্ৰদান কৰাটোৱে আফ্ৰিকান-আমেৰিকান সাহিত্যিকসকলক উদ্বুদ্ধ কৰিব। বিশ্ববিদ্যালয়খনৰ নৃতত্ত্ব বিভাগৰ নৱাগত ছাত্ৰী লৌৰিয়ন ফিল্ডছে অনুভৱ কৰে যে আৱেগ আৰু নীতি সংযোগৰ এক গুৰুত্বপূৰ্ণ মাধ্যম হৈছে সাহিত্য। আফ্ৰিকান-আমেৰিকানসকলে নিজৰ জনগোষ্ঠীৰে ইজনে সিজনক জনাৰ বাবে এনে ধৰণৰ অনুষ্ঠানৰ প্ৰয়োজন বুলি ছাত্ৰীগৰাকীয়ে মতপোষণ কৰে। তেওঁৰ বাবে অনুপ্ৰেৰণা হৈছে বৈষম্যবিৰোধী সাহিত্যিক ফ্ৰেডেৰিক ড'গলাছ। ড'গলাছক তেওঁক উৎকৃষ্টমানৰ আফ্ৰিকান-আমেৰিকানৰূপে গণ্য কৰে। এই অনুষ্ঠানৰ জৰিয়তে অক্সফ'ৰ্ড বিশ্ববিদ্যালয় চৌহদৰ সমাজৰ ওপৰত ইতিবাচক প্ৰভাৱ পৰিব বুলি তেওঁ আশা প্ৰকাশ কৰে।